অধ্যায় ১০ ঃ ছন্দোমঞ্জৰী (ভূমিকা)

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ ছন্দৰ প্ৰাচীনতা আৰু ছন্দশাস্ত্ৰৰ গ্ৰন্থ

১০.৩.১ ছন্দোমঞ্জৰীৰ পৰিচয়

১০.৩.২ ছন্দ শব্দৰ ব্যুৎপত্তি

১০.৪ ছন্দৰ প্ৰয়োজনীয় দহটি সাংকেতিক বৰ্ণ

১০.৪.১ গুৰু বৰ্ণ আৰু লঘু বৰ্ণৰ পৰিচয়

১০.৪.২ গুৰু বৰ্ণ আৰু লঘু বৰ্ণৰ যোগত 'গণ' গঠন

১০.৫ ছন্দৰ প্ৰকাৰ

১০.৫.১ যতিৰ অৰ্থ আৰু ব্যৱহাৰ

১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৭ অধিক জানিবলৈ

১০.৮ অগ্ৰগতিৰ খতিয়ান

১০.৯ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ছন্দ শাস্ত্ৰৰ সাধাৰণ পৰিচয় লাভ কৰিব
- ছন্দ শব্দটিৰ ব্যুৎপত্তি জানিব পাৰিব
- ছন্দৰ প্ৰাচীনতাৰ জ্ঞান লাভ কৰিব
- গঙ্গাদাসৰ ছন্দোমঞ্জৰীৰ পৰিচয় লাভ কৰিব
- বৰ্ণৰ মাত্ৰাৰ জ্ঞান লাভ কৰিব
- বৰ্ণৰ সমষ্টিত গঠিত গণৰ কথা জানিব পাৰিব
- ছন্দৰ প্ৰকাৰৰ কথা জানিব পাৰিব।

১০.২ পৰিচয়

আপুনি ইতিমধ্যে সংস্কৃত কাব্য অধ্যয়ন কৰিছে। কাব্যসমূহ পদ্যত ৰচিত। কাব্যৰ বাহিৰেও আপুনি সংস্কৃত ব্যাকৰণ কিছু পৰিমাণে অধ্যয়ন কৰিছে। আপুনি নিশ্চয় দেখিবলৈ পাইছে যে কাব্য বা মহাকাব্য শ্লোকত ৰচিত। নাটকত সংলাপৰ মাজত শ্লোকৰ ব্যৱহাৰ আপুনি দেখিছে।

আপুনি জানিব পাৰিছে যে শ্লোক সদায় ছন্দতহে ৰচনা কৰা হয়। গদ্যত ছন্দৰ ব্যৱহাৰ নহয়, শ্লোকতহে ছন্দৰ প্ৰয়োগ হয়। সেইকাৰণেই ছন্দৰ কথা জনাটো আৱশ্যক।

এই অধ্যায়ত আপুনি ছন্দৰ প্ৰয়োজনীয় কিছু কথা অধ্যয়ন কৰিবলৈ পাব। ছন্দশাস্ত্ৰৰ অতি জনপ্ৰিয় গ্ৰন্থখনৰ কথাও আপুনি জানিব পাৰিব। সুদূৰ অতীতৰ পৰাই যে ছন্দৰ প্ৰচলন চলি আহিছে সেইটোও জানিবলৈ পাব। ছন্দৰ কাৰণে গণৰ জ্ঞান থকা আৱশ্যক। তিনিটিকৈ বৰ্ণৰ সমষ্টিত একোটিকৈ গণ গঠন কৰা হয়। গণৰ সহজ আৰু সৰল আলোচনা আপুনি এই অধ্যায়ত অধ্যয়ন কৰিব পাৰিব। এই অধ্যায়ত আপুনি সমবৃত্ত, বিষমবৃত্ত আৰু অৰ্দ্ধসমবৃত্তৰ কথাও অধ্যয়ন কৰিব পাৰিব।

১০.৩ ছন্দৰ প্ৰাচীনতা আৰু ছন্দশাস্ত্ৰৰ গ্ৰন্থ

এতিয়া আপুনি ছন্দ সাহিত্যৰ প্ৰাচীনতা আৰু ছন্দৰ ওপৰত ৰচিত বিভিন্ন গ্ৰন্থসমূহৰ নাম জানিব পাৰিব।

অতি পুৰণি কালৰে পৰা ছন্দৰ চৰ্চ্চা চলি আহিছে। অধ্যয়ন কৰিবলগীয়া বিষয়বোৰৰ ভিতৰত বেদাঙ্গৰ উল্লেখ কৰা হৈছে। বেদাঙ্গ ছখন। সেইবোৰ হৈছে - শিক্ষা, কল্প, নিৰুক্ত, ব্যাকৰণ, ছন্দ আৰু জ্যোতিষ। ছন্দক বেদৰ ভৰি বুলিও কোৱা হৈছে— "ছন্দঃ পাদৌ তু বেদস্য" অৰ্থাৎ বেদৰ ভৰি দুখন হৈছে ছন্দ। ইয়াৰ তাৎপৰ্য্য এয়ে যে ভৰি নহ'লে যিদৰে খোজ কাঢ়িব নোৱাৰি তেনেদৰে ছন্দ নহ'লে বেদ অচল হৈ পৰে। অৰ্থাৎ ছন্দই বেদক আগুৱাই যোৱাত সহায় কৰে। ইয়াৰ পৰা ছন্দৰ উপযোগিতা আৰু প্ৰাচীনতাৰ কথা আপুনি সহজতে অনুমান কৰিব পাৰে। কাৰণ, বেদ আটাইতকৈ প্ৰাচীনতম সাহিত্য। গোটেইখন ঋগ্‌বেদ ছন্দত ৰচিত।

শৌনক মুনিয়ে 'ঋক্ প্ৰাতিশাখ্য'ত ১৬ আৰু ১৭ অধ্যায়ত বৈদিক ছন্দৰ কথা আলোচনা কৰিছে। ছন্দৰ আলোচনা অগ্নিপুৰাণতো পোৱা যায়। তাৰ বাহিৰেও গৰুড় পুৰাণ, নাৰদীয় পুৰাণ আৰু ভৰতৰ 'নাট্যশাস্ত্ৰ'তো ছন্দৰ আলোচনা কৰা হৈছে। কেৱল ছন্দৰ গ্ৰন্থ হিচাপে পিঙ্গল মুনি ৰচিত 'ছন্দঃসূত্ৰ'ই ছন্দৰ প্ৰথম গ্ৰন্থ বুলি কোৱা হৈছে। পিঙ্গলৰ 'ছন্দঃসূত্ৰ'ৰ পিছতেই কালিদাস ৰচিত 'শ্ৰুতবোধ'ৰ নাম উল্লেখযোগ্য। ইয়াৰ পিছতেই ক্ষেমেন্দ্ৰৰচিত 'সুবৃত্ততিলক', হেমচন্দ্ৰৰচিত 'ছন্দানুশাসন', কেদাৰ ভট্টৰ 'বৃত্তৰত্নাকৰ' বিশেষভাৱে উল্লেখযোগ্য গ্ৰন্থ। এইবোৰ পঞ্চদশ শতাব্দীৰ পূৰ্বতেই ৰচিত হৈছিল। গঙ্গাদাসৰ ৰচিত 'ছন্দোমঞ্জৰী' ওঠৰশ শতাব্দীত ৰচিত। এই কিতাপখনত ২৭৬টি ছন্দৰ কথা আলোচনা কৰা হৈছে।

১০.৩.১ ছন্দোমঞ্জৰীৰ পৰিচয়

আপুনি ছন্দশাস্ত্ৰৰ কিছুমান গ্ৰন্থৰ নাম জানিবলৈ পালে। আপুনি ইয়াত 'ছন্দোমঞ্জৰী' নামৰ কিতাপখনৰ কথা অধ্যয়ন কৰিবলৈ পাব।

ছন্দশাস্ত্ৰৰ ভিতৰত গঙ্গাদাসৰ ৰচিত 'ছন্দোমঞ্জৰী' গ্ৰন্থখনেই আটাইতকৈ জনপ্ৰিয়। আপুনি যিবোৰ ছন্দৰ কথা অধ্যয়ন কৰিব সেইবোৰৰ সূত্ৰ এই কিতাপখনৰ

পৰাই লোৱা হৈছে। সেইকাৰণেই ছন্দোমঞ্জৰীৰ বিষয়ে জনাটো প্ৰয়োজন। গঙ্গাদাস হৈছে 'ছন্দোমঞ্জৰী' গ্ৰন্থৰ ৰচক। ওঠৰশ শতিকাৰ শেষৰ কালছোৱাত তেওঁৰ আবিৰ্ভাৱ হৈছিল। তেওঁৰ পিতৃ গোপাল দাসো এজন কবি আছিল।

গঙ্গাদাসে 'ছন্দোমঞ্জৰী'খনত বিভিন্ন ছন্দৰ লক্ষণ সেই সেই ছন্দতেই নিৰ্ণয় কৰিছে। ব্যৱহাৰৰ কাৰণে সচৰাচৰতে প্ৰয়োজনীয় ছন্দবোৰৰ কথাহে তেওঁ আলোচনা কৰিছে— "ব্যৱহাৰোচিতং প্ৰায়ো ময়া ছন্দোহত্ৰ কীৰ্তিতম্" ('ব্যৱহাৰ উচিতং প্ৰায়ঃ ময়া ছন্দঃ অত্ৰ কীৰ্তিতম্") অৰ্থাৎ ব্যৱহাৰত লগা প্ৰায়বোৰ ছন্দই মই ইয়াত আলোচনা কৰিছোঁ।

'ছন্দোমঞ্জৰী' গ্ৰন্থখন মুঠতে ছটি স্তৱকত ভাগ কৰা হৈছে। ইয়াৰে প্ৰথম স্তৱকত বৃত্ত পৰিচয়, বৃত্তৰ ভেদ, গণৰ প্ৰতীক, গুৰু আৰু লঘুৰ প্ৰতীক, জাতিগণৰ নিৰ্দেশ, বৰ্ণৰ গুৰু আৰু লঘু নিৰ্ণয়ৰ কথা আলোচনা কৰা হৈছে। মুঠতে ছন্দৰ অধ্যয়ন কৰিবলৈ যাওঁতে জানিবলগীয়া কথাবোৰ গঙ্গাদাসে গ্ৰন্থখনৰ প্ৰথম স্তৱকত আলোচনা কৰিছে।

গ্ৰন্থখনৰ দ্বিতীয় স্তৱকত সমবৃত্তসমূহ উদাহৰণসহ ব্যাখ্যা কৰা হৈছে। তৃতীয় স্তৱকত অৰ্দ্ধসমবৃত্তসমূহ উদাহৰণসহ আলোচনা কৰা হৈছে। চতুৰ্থ স্তৱকত বিষমবৃত্তৰ কথা আলোচনা কৰা হৈছে। পঞ্চম স্তৱকত মাত্ৰাবৃত্তৰ কথা আলোচনা কৰা দেখা যায়। ষষ্ঠ স্তৱকত গদ্য আৰু ইয়াৰ প্ৰকাৰৰ কথা অতি সংক্ষেপতে উল্লেখ কৰা হৈছে।

'ছন্দোমঞ্জৰী'ৰ ভাষা সহজ আৰু সৰল। ইয়াৰ বৈশিষ্ট্য এয়ে যে ছন্দৰ সূত্ৰবোৰো সেই ছন্দতেই ৰচিত। ছন্দত যতিৰ ব্যৱহাৰৰ নিৰ্দেশো কিছুমান ছন্দৰ সূত্ৰতেই দিয়া হৈছে। 'ছন্দসাং মঞ্জৰী' অৰ্থাৎ ছন্দবোৰৰ দ্বাৰা যেন ফুলৰ থোপাহে তৈয়াৰ কৰা হৈছে— এনেকুৱা অৰ্থত 'ছন্দোমঞ্জৰী' নামটি ছন্দৰ সুন্দৰ আলোচনাৰে (অতি ধুনীয়া বুলি) ইঙ্গিত দিছে।

১০.৩.২ ছন্দ শব্দৰ ব্যুৎপত্তি

আপুনি ছন্দ শাস্ত্ৰৰ গ্ৰন্থৰ কথা জানিলে। এতিয়া ইয়াত ছন্দ শব্দটোৰ ব্যুৎপত্তি অধ্যয়ন কৰিব পাৰিব। চন্দি ধাতুৰ পৰা ছন্দ শব্দটি নিষ্পন্ন হৈছে। চন্দি ধাতুৰ অৰ্থ হৈছে আনন্দ দিয়া। চন্দ্ ধাতুৰ পিছত অসুন্ প্ৰত্যয় যোগ হৈছে আৰু 'চন্দ্'ৰ 'চ'ৰ ঠাইত 'ছ' হৈ ছন্দ শব্দটো নিষ্পন্ন হৈছে।

কাব্যৰ শ্লোকবোৰৰ অৰ্থ বুজি নাপালেও ছন্দত ৰচিত হোৱাৰ কাৰণেই শ্লোকবোৰ পঢ়ি বৰ ভাল লাগে। ছন্দোবদ্ধ ৰচনা পঢ়িলে তাল, মাত্ৰা আৰু লয়ৰ কাৰণেই মনত আনন্দ লাগে। সেই কাৰণেই 'ছন্দয়তি আনন্দয়তি ইতি ছন্দঃ' অৰ্থাৎ যিয়ে আনন্দ দিয়ে সেইটোৱেই ছন্দ এইদৰে কোৱা হৈছে।

১০.৪ ছন্দৰ প্ৰয়োজনীয় দহটি সাঙ্কেতিক বৰ্ণ

আপুনি ছন্দৰ প্ৰাচীনতা আৰু ছন্দ শব্দটিৰ ব্যুৎপত্তি অধ্যয়ন কৰিলে। ছন্দশাস্ত্ৰৰ গ্ৰন্থ কিছুমানৰ নামো জানিলে।

এতিয়া ইয়াত আপুনি ছন্দৰ বাবে অতি প্ৰয়োজনীয় দহটি সাঙ্কেতিক বৰ্ণৰ বিষয়ে জানিবলৈ পাব। এই দহটি সঙ্কেতাত্মক বৰ্ণৰ দ্বাৰা ছন্দৰ গঠন নিয়ন্ত্ৰিত হয়। এই দহটি বৰ্ণ হৈছে— ভ, জ, স, য, ৰ, ত, ম, ন,গ আৰু ল বৰ্ণ। এই দহটি বৰ্ণৰ ভিতৰত গ বৰ্ণই কেৱল গুৰু (দীৰ্ঘ) আৰু ল বৰ্ণই লঘু (হ্ৰস্ব) স্বৰক বুজায়। এই দুটি বৰ্ণৰ বাহিৰে অৱশিষ্ট আঠটি বৰ্ণ সদায় তিনিটিকৈ বৰ্ণৰ সমষ্টিতহে গঠিত হয়। আগলৈ আপুনি সেই বিষয়ে অধ্যয়ন কৰিবলৈ পাব।

১০.৪.১ গুৰুবৰ্ণ আৰু লঘুবৰ্ণৰ পৰিচয়

আপুনি দহটি বৰ্ণৰ কথা জানিলে। ইয়াত বৰ্ণ, বৰ্ণৰ গুৰুত্ব আৰু লঘুত্বৰ বিষয়ে অধ্যয়ন কৰিবলৈ পাব।

স্বৰবৰ্ণৰ ভিতৰত অ, ই, উ,ঋ বৰ্ণ হ্ৰস্ব আৰু আ, ঈ, ঊ, ৠ, এ, ঐ, ও, ঔ বৰ্ণ দীৰ্ঘ। ব্যঞ্জন বৰ্ণৰ পিছত এই স্বৰবৰ্ণবোৰ যোগ হৈ ব্যঞ্জন বৰ্ণৰ উচ্চাৰণ সহজ কৰি তোলে।

ব্যঞ্জন বৰ্ণৰ পিছত স্বৰবৰ্ণ যোগ হ'লেহে সেইবোৰক উচ্চাৰণ কৰিব পাৰি। ওপৰত আপুনি দীৰ্ঘ স্বৰবোৰ উল্লেখ কৰা দেখিছে। দীৰ্ঘস্বৰবোৰ দুই মাত্ৰাৰ। সেইকাৰণেই এই বৰ্ণবোৰ দীৰ্ঘ।

সাধাৰণতে অনুস্বাৰ আৰু বিসৰ্গযুক্ত বৰ্ণ হ্ৰস্ব হ'লেও দীৰ্ঘ হয়। তদুপৰি সংযুক্ত বৰ্ণৰ ঠিক আগৰ বৰ্ণটো হ্ৰস্ব হ'লেও দীৰ্ঘ হয়। কোনো পাদৰ (চৰণ) আটাইতকৈ শেষৰ বৰ্ণটি লঘু হ'লেও কেতিয়াবা ছন্দৰ প্ৰয়োজনত গুৰু বুলি ধৰিবলগীয়া হয়।

বৰ্ণৰ গুৰু আৰু লঘু বিচাৰত আপুনি বৰ্ণটি বিশ্লেষণ কৰিলেই বুজিব পাৰিব। উদাহৰণ হিচাপে আপুনি "কমলা" পদটি বিশ্লেষণ কৰিলে বুজি পাব। যেনে— ক্ + অ + ম্ + অ + ল্ + আ। ইয়াত ক্ ব্যঞ্জনৰ পিছত অ যোগ হোৱাত ক হৈছে আৰু এই আকাৰ লঘু। কাৰণ, অ-কাৰ হ্ৰস্ব। হ্ৰস্বস্বৰ বৰ্ণ লঘু। তেনে 'ম' লঘু, কিন্তু 'লা' গুৰু। কাৰণ, ল্ৰ পিছত আ যোগ হৈছে। অ-কাৰ লঘু কিন্তু 'ং' আৰু 'ঃ' যোগ হলে সি গুৰু হ'ব। দুটা ব্যঞ্জন যোগ হৈ এটা বৰ্ণ হলে তাক সংযুক্ত বৰ্ণ বোলে। যেনে— ম্ + ম্ + অ = ম্ম; ঙ্ + ক্ + অ = ঙ্ক। এনেকুৱা সংযুক্ত বৰ্ণৰ ঠিক আগৰ বৰ্ণ দীৰ্ঘ হয়। যেনেঃ 'অঙ্ক' পদটিত অ-কাৰ সংযুক্ত বৰ্ণৰ আগত আছে। সেইকাৰণে অ-কাৰটি হ্ৰস্ব হলেও ইয়াত গুৰু হব।

সাধাৰণতে হ্ৰস্ব স্বৰ আৰু হ্ৰস্ব স্বৰযুক্ত ব্যঞ্জনকেই লঘু বুলি কোৱা হয়। এক মাত্ৰাযুক্ত স্বৰেই লঘু। অ, ই, উ আৰু ঋ এই কেইটাই হ্ৰস্ব স্বৰ।

গুৰু বৰ্ণক বুজাবলৈ '—' এই চিন বা 'S' চিন ব্যৱহাৰ কৰা হয়। লঘুবৰ্ণক বুজাবলৈ '∪' চিন বা '।' চিনৰ ব্যৱহাৰ কৰা হয়। আপুনি ইয়াত গুৰু বৰ্ণক বুজাবলৈ '—' চিন আৰু লঘু বৰ্ণক বুজাবলৈ '∪' চিন ব্যৱহাৰ কৰা দেখিবলৈ পাব।



জানি থোৱা ভাল

১) 'ছন্দোমঞ্জৰী'ত দহটা সাংকেতিক বৰ্ণ এটি শ্লোকত দিয়া হৈছে। শ্লোকটি তলত দিয়া হ'ল—

"ম্যৰস্তজভনগৈলাম্ভৈৰেভির্দশাভিৰক্ষৰৈঃ।
সমস্তং বাঙ্ময়ং ব্যাপ্তং ত্রৈলোক্যমিব বিষ্ণুণা।।"

অর্থাৎ ভগৱান বিষ্ণুৱে তিনিও লোক পৰিব্যাপ্ত হৈ থকাৰ দৰে গোটেই ছন্দশাস্ত্র ম, য, ৰ, স, ত, জ, ভ, ন, গ আৰু ল এই দহটি বৰ্ণত সমাহিত হৈ আছে।

২) সাধাৰণতে গুৰু বৰ্ণৰ বাহিৰেও বিশেষ কাৰণত হোৱা গুৰু বৰ্ণৰ বিষয়ে ছন্দোমঞ্জৰীত এইদৰে কোৱা হৈছে—

"সানুস্বাৰশ্চ দীর্ঘশ্চ বিসর্গী চ গুৰুর্ভৱেৎ।
বর্ণঃ সংযোগপূর্বশ্চ তথা পাদান্তগোঽপি বা।।"

অর্থাৎ অনুস্বাৰযুক্ত বর্ণ দীর্ঘ হয় আৰু তেনেদৰে বিসর্গযুক্ত বর্ণও দীর্ঘ হয়। সংযুক্ত বর্ণৰ পূর্ববর্ণ দীর্ঘ হয় আৰু কেতিয়াবা কেতিয়াবা পদান্ত বর্ণ বিকল্পমতে দীর্ঘ হয়।

৩) লঘু আৰু গুৰু বৰ্ণৰ কথা ছন্দোমঞ্জৰীত এইদৰে কোৱা হৈছে—

"একমাত্রো ভৱেদ্হ্রস্বো দ্বিমাত্রো দীর্ঘ উচ্যতে।
ত্রিমাত্রস্তু প্লুতো জ্ঞেয়ো ব্যঞ্জনঞ্চার্দ্ধমাত্রকম্।।"

অর্থাৎ একমাত্রাযুক্ত বর্ণ হ্রস্ব হ'ব লাগে আৰু দুইমাত্রাযুক্ত বর্ণক দীর্ঘ বোলা হয়। তিনি মাত্রাযুক্ত বর্ণ প্লুত হয় আৰু ব্যঞ্জনবর্ণ সদায় আধামাত্রা বিশিষ্ট। ইয়াত ব্যঞ্জন বোলোতে হসন্ত চিন (্) থকা ব্যঞ্জনক কোৱা হৈছে বুলি আপুনি বুজিব লাগিব।

৪) **বেদাঙ্গ ঃ** বেদৰ অঙ্গ হিচাবে ছয়টি বিষয় ধৰা হৈছে। বেদ অধ্যয়নত এই ছয়টি বিষয় অপৰিহার্য্য। সেইবোৰ হৈছে— শিক্ষা, কল্প, নিৰুক্ত, ছন্দ, ব্যাকৰণ আৰু জ্যোতিষ।

৫) **শিক্ষা ঃ** বেদৰ স্বৰ, বর্ণ, মাত্রা আদিৰ সঠিক উচ্চাৰণ আৰু প্রয়োগৰ নিয়ম শিক্ষা শাস্ত্রত নির্দিষ্ট হৈছে।

৬) **কল্প ঃ** যাগ-যজ্ঞ আদি কল্পিত আৰু সমর্থিত হোৱা শাস্ত্রক কল্প শাস্ত্র বোলা হয়। ইয়াত যজ্ঞৰ অনুষ্ঠান প্রক্রিয়া সূচিত হৈছে।

৭) **নিৰুক্ত ঃ** নিৰুক্তত বৈদিক পদসমূহ উক্ত হৈছে। মহর্ষি যাস্কই নিৰুক্ত ৰচনা কৰিছে। নিৰুক্তখন নৈঘণ্টুক কাণ্ড, নৈগমকাণ্ড আৰু দৈৱতকাণ্ডত বিভক্ত।

৮) **ছন্দ ঃ** বৈদিক ছন্দৰ বিশদ আলোচনা ছন্দশাস্ত্ৰত কৰা হৈছে। পিঙ্গল মুনিৰ ৰচিত 'ছন্দঃসূত্ৰ'কেই ছন্দশাস্ত্ৰত বেদাঙ্গ বোলা হয়।

৯) **ব্যাকৰণ ঃ** শব্দৰ ব্যুৎপত্তি, প্ৰকৃতি, প্ৰত্যয়, সন্ধি, সমাস, শব্দৰূপ, ধাতুৰূপ আদিৰ জ্ঞান যি শাস্ত্ৰত আছে তাকেই ব্যাকৰণ বোলা হয়। ছয় বেদাঙ্গৰ ভিতৰত ব্যাকৰণক প্ৰধান বুলি কোৱা হৈছে।

১০) **জ্যোতিষ ঃ** বেদৰ ক্ৰিয়া-কাণ্ডৰ সঠিক সময় নিৰ্দ্ধাৰণ কৰা শাস্ত্ৰক জ্যোতিষ বুলি কোৱা হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ 'ছন্দোমঞ্জৰী' কিতাপখন গঙ্গাদাসৰ ৰচিত বাক্যটি শুদ্ধ নে অশুদ্ধ?

.....

প্ৰশ্ন নং ২ ঃ 'ছন্দোমঞ্জৰী' কিতাপখনত কেইটি স্তৱক আছে লিখক।

.....

প্ৰশ্ন নং ৩ ঃ ছন্দক বেদৰ কি বুলি কোৱা হৈছে লিখক।

.....

প্ৰশ্ন নং ৪ ঃ ছন্দত গুৰু আৰু লঘু বুজাবলৈ কোন দুটি সাংকেতিক বৰ্ণ ব্যৱহাৰ কৰা হয় লিখক।

.....

প্ৰশ্ন নং ৫ ঃ ছন্দৰ প্ৰয়োজনীয় দহটি সাংকেতিক বৰ্ণ কি কি লিখক।

.....

১০.৪.২ গুৰু আৰু লঘু বৰ্ণৰ যোগত গণ গঠন

আপুনি ছন্দৰ বাবে প্ৰয়োজনীয় ভালেখিনি কথা অধ্যয়ন কৰিলে। দহটি সাংকেতিক বৰ্ণ কি কি তাকো জানিলে। ছন্দত গুৰু বৰ্ণ আৰু লঘু বৰ্ণৰ কথাও ভালদৰে জানিব পাৰিলে।

এতিয়া ইয়াত সাংকেতিক দহটি বৰ্ণৰ ভিতৰত লঘু আৰু গুৰুৰ বাহিৰে বাকী আঠটি, যেনে— য, ৰ, ত, ভ, জ, স, ম আৰু ন বৰ্ণৰ কথা অধ্যয়ন কৰিবলৈ পাব।

আপুনি জানিছে যে বৰ্ণবোৰৰ হ্ৰস্ব আৰু দীৰ্ঘ মাত্ৰাৰ ভিত্তিত লঘু (ল) আৰু গুৰু (গ) নিৰ্দ্ধাৰণ কৰা হয়। এনেদৰে তিনিটিকৈ বৰ্ণক একেলগে লগ লগাই একোটিকৈ সাংকেতিক বৰ্ণ গঠন কৰা হয়। সাংকেতিক বৰ্ণৰ প্ৰত্যেকটিকেই গণ বোলা হয়।

য = ∪ — — (আদি লঘু)

ৰ = — ∪ — (মধ্য লঘু)

ত = — — ∪ (অন্ত লঘু)

ভ = — ∪ ∪ (আদি গুৰু)

জ = ∪ — ∪ (মধ্য গুৰু)

স = ∪ ∪ — (অন্ত গুৰু)

ম = — — — (তিনিওটি গুৰু)

ন = — ∪ ∪ ∪ (তিনিওটি লঘু)

গ = — (এটি গুৰু)

ল = ∪ (এটি লঘু)

আপুনি জানে যে ∪ চিনটি লঘু (এক মাত্রা) বুজাবলৈ আৰু '—' চিনটি গুৰু (দ্বিমাত্রা) বুজাবলৈ ব্যৱহাৰ কৰা হৈছে।

আপুনি দেখিলে যে য, ৰ, ত গণত ক্রমে প্রথম, দ্বিতীয় আৰু তৃতীয় বর্ণ লঘু হৈছে। তেনেদৰে ভ, জ, স গণত ক্রমে প্রথম, দ্বিতীয় আৰু তৃতীয় বর্ণ গুৰু হৈছে। কেৱল এটি বর্ণ গুৰু হ'লে তাক 'গ' আৰু এটি বর্ণ লঘু হ'লে 'ল' বুলি কোৱা হয়।



জানি থোৱা ভাল

আঠটি গণৰ লক্ষণ ছন্দোমঞ্জৰীৰ তলত উল্লেখ কৰা ধৰণে শ্লোকত কোৱা হৈছে—

"আদিমধ্যাবসানেষু যৰতা যান্তি লাঘৱম্।
ভজসা গৌৰৱং যান্তি মনৌ তু গুৰুলাঘৱম্।।
গুৰুৰেকো গকাৰোহস্তি লকাৰো লঘুৰেকঃ।
মস্ত্রিগুৰুস্ত্রিলঘুশ্চ নকাৰো ভাদিগুৰুঃ পুনৰাদিলঘুর্যঃ।
জোগুৰুমধ্যগতো ৰোলমধ্যঃ সোহন্তগুৰুঃ কথিতোহন্তলঘুস্তঃ।।"

ইয়াৰ গদ্যৰূপ— আদি মধ্য অৱসানেষু যৰতাঃ যান্তি লাঘৱম্। ভজসাঃ গৌৰৱম্ যান্তি মনৌ তু গুৰুলাঘৱম্।।গুৰুঃ একঃ গকাৰঃ অস্তি লকাৰঃ লঘুঃ একঃ।মঃ ত্রিগুৰুঃ ত্রিলঘুঃ চ নকাৰঃ। ভ আদি গুৰুঃ পুনঃ আদি লঘুঃ যঃ। জঃ গুৰুমধ্যগতঃ ৰঃ লমধ্যঃ সঃ অন্তগুৰুঃ, কথিতঃ অন্তলঘুঃ তঃ।

আদি মধ্য আৰু অৱসানত লঘু থাকিলে ক্রমে য, ৰ আৰু ত গণ হয়। (এই ক্রমত) গুৰু থাকিলে ভ, জ আৰু স গণ হয়। ম আৰু ন থাকিলে ক্রমে গুৰু আৰু লঘু (অর্থাৎ তিনিওটা গুৰু আৰু তিনিওটা লঘু) হয়। গুৰু কেৱল এটা গকাৰত হয় আৰু লঘু কেৱল এটা লকাৰত হয়। ম তিনি গুৰু আৰু তিনি লঘুত নকাৰ, আদি গুৰুত ভ আকৌ আদি লঘু হ'লে য হয়। জ মধ্য গুৰু আৰু ৰ মধ্যলঘু, স অন্তগুৰু আৰু অন্ত লঘু হলে ত হয়।

১০.৫ ছন্দৰ প্ৰকাৰ

ত্ৰিকলাত্মক গণ ছন্দৰ এটা অপৰিহাৰ্য্য অঙ্গ বুলি জানিলে। গণৰ জ্ঞান নাথাকিলে ছন্দ বুজিব নোৱাৰি বুলিও আপুনি জানিলে। গণত বৰ্ণৰ গণনা প্ৰধান হলেও সেইবোৰৰ মাত্ৰাৰ ওপৰত নিৰ্ভৰ কৰি গণৰ নাম নিৰূপণ হৈছে বুলিও আপুনি অধ্যয়ন কৰিলে।

এতিয়া ছন্দৰ প্ৰকাৰৰ কথা জানিব পাৰিব। ছন্দ প্ৰথমতে লৌকিক আৰু বৈদিক এই দুটা বহল ভাগত বিভক্ত হৈছে। লৌকিক ছন্দক বৃত্ত আৰু জাতি এই দুটা ডাঙৰ ভাগত ভগোৱা হৈছে।

বৃত্ত ঃ বৰ্ণৰ সংখ্যাৰ ভিত্তিত যি ছন্দৰ লক্ষণ নিৰূপণ কৰা হয় তাক বৃত্ত বুলি কোৱা হয়। এই বিষয়ে কোৱা হৈছে— "বৃত্তমক্ষৰসংখ্যাতম্" (বৃত্তম্ অক্ষৰসংখ্যাতম্) অৰ্থাৎ বৃত্ত হৈছে অক্ষৰৰ সংখ্যাযুক্ত। বৃত্ত ছন্দত বৰ্ণৰ গণনাৰ উপৰি বৰ্ণবোৰৰ লঘু আৰু গুৰু অনুসৰি গণৰ সহায়তহে ছন্দৰ লক্ষণ নিৰ্দ্ধাৰণ কৰা হয়। ইন্দ্ৰবজ্ৰা, বসন্ততিলক, বংশস্থৱিল আদি আটাইবোৰ ছন্দ বৃত্ত ছন্দ। বৃত্তছন্দ তিনি প্ৰকাৰৰ। যেনে— সমবৃত্ত, অৰ্দ্ধসমবৃত্ত আৰু বিষমবৃত্ত।

সমবৃত্ত ঃ যি ছন্দত প্ৰত্যেক চৰণত বৰ্ণৰ সংখ্যা সমান তাক সমবৃত্ত বোলা হয়। যেনেঃ- বসন্ততিলক, স্ৰগ্ধৰা আদি। এনেবোৰ ছন্দৰ চাৰিওটি চৰণত একে ক্ৰমত লঘু আৰু গুৰু অনুসৰি সমান বৰ্ণ থাকে। এতেকে সমবৃত্ত ছন্দৰ প্ৰত্যেক চৰণত একে ধৰণৰ গণ থাকে।

অৰ্দ্ধসমবৃত্ত ঃ যি ছন্দত প্ৰথম চৰণৰ লগত তৃতীয় চৰণৰ বৰ্ণৰ সংখ্যা আৰু দ্বিতীয় চৰণৰ লগত চতুৰ্থ চৰণৰ বৰ্ণৰ সংখ্যাৰ মিল থাকে তাক অৰ্দ্ধ সমবৃত্ত বোলে। এই শ্ৰেণীৰ বৃত্তত প্ৰথম চৰণত যি যি গণ থাকে তৃতীয় চৰণতো সেই একেই গণ থাকিব। আকৌ, দ্বিতীয় চৰণত থকা গণবোৰ চতুৰ্থ চৰণতো থাকিব।

বিষম বৃত্ত ঃ যি ছন্দত প্ৰত্যেক চৰণৰ বৰ্ণৰ সংখ্যা বেলেগ বেলেগ হয় তাক বিষম বৃত্ত বুলি কোৱা হয়।

জাতি ঃ বৰ্ণৰ মাত্ৰাৰ ভিত্তিত যি ছন্দৰ লক্ষণ নিৰ্দ্ধাৰণ কৰা হয় তাক জাতি ছন্দ বোলা হয়। জাতি সদায় মাত্ৰাৰ ভিত্তিত নিৰূপণ কৰা হয়। আৰ্য্যা ছন্দ আৰু ইয়াৰ বিভিন্ন প্ৰকাৰ জাতি ছন্দৰ অন্তৰ্ভূক্ত।

ছন্দৰ আলোচনাত আপুনি কেৱল সমবৃত্ত ছন্দ কিছুমানৰ কথাহে অধ্যয়ন কৰিব লাগিব, বিষম আৰু অৰ্দ্ধসম বৃত্তৰ অধ্যয়ন কৰিব নালাগে। আপুনি অধ্যয়ন কৰিবলগীয়া সমবৃত্তৰ ছন্দবোৰ পৃথক পৃথকভাৱে পিছৰ অধ্যায়ত বিশদভাৱে আলোচনা কৰা হৈছে।

১০.৫.১ যতিৰ অৰ্থ আৰু ব্যৱহাৰ

আপুনি ছন্দৰ প্ৰকাৰৰ কথা অধ্যয়ন কৰিলে। আপুনি জানে যে পদ্য সদায় ছন্দত ৰচিত আৰু তাত চাৰিটি চৰণ থাকে। আমি সহজতে অনুমান কৰিব পাৰো যে চাৰিওটি চৰণ একেটা উশাহত মাতিব নোৱাৰি। পদ্যৰ চৰণবোৰ মাতোতে ঠায়ে ঠায়ে উশাহ সলাবলগীয়া হয়। তেতিয়াহে উচ্চাৰণ শুৱলা হয়।

'ছন্দেমঞ্জৰী'ত কোৱা হৈছে যে জিভাই জিৰণি ল'ব খোজা ঠাইত অলপ সময়ৰ বাবে ৰব লাগে। উচ্চাৰণত তেনেকুৱা বিৰতিক যতি বুলি কোৱা হয়। যতিক 'বিচ্ছেদ' আৰু 'বিৰাম' বুলিও কোৱা হয়। এই বিষয়ে কোৱা হৈছে—

"যতির্জিহ্বেষ্টবিশ্রামস্থানং করিভিৰুচ্যতে।
সা বিচ্ছেদবিৰামাদ্যৈঃ পদৈর্বাচ্যা নিজেচ্ছয়া।।"

এই শ্লোকটিৰ সন্ধি ভাঙিলে— যতিঃ জিহ্বা-ইষ্ট-বিশ্রামস্থানম্ করিভিঃ উচ্যতে। সা বিচ্ছেদ-বিৰামাদ্যৈঃ পদৈঃ বাচ্যা নিজ-ইচ্ছয়া।।

অর্থাৎ জিভাই নিজৰ ইচ্ছাত ৰ'ব খোজা ঠাইত বিশ্রাম ললে তাক যতি বুলি কোৱা হয়। এই যতি বিচ্ছেদ, বিৰাম আদি নামেৰেও জনা যায়। ইয়াৰ পৰা বুজিব পাৰি যে পদ্য উচ্চাৰণ কৰোঁতে য'ত ৰলে জিভাৰ ভাল লাগে তাত ক্ষন্তেক ৰোৱাটোকেই যতি বোলা হয়। ছন্দৰ সূত্রতেই যতিৰ নির্দেশসূচক পদ থাকে। তেতিয়া সেই মতে যিমানটি বর্ণৰ পিছত ৰ'বলৈ কোৱা হয় তাত ৰ'ব লাগে। তেনেকুৱা নির্দেশ নাথাকিলে উচ্চাৰণ কৰোঁতাই নিজৰ ইচ্ছামতে ৰ'ব লাগে। কম বর্ণ থকা পদ্যৰ প্রত্যেকটি পাদৰ পিছত ক্ষন্তেক ৰ'লে উচ্চাৰণ শুনাত শুৱলা হয়।



জানি থোৱা ভাল

ছন্দৰ প্রকাৰ আৰু লক্ষণ ছন্দোমঞ্জৰীত এইদৰে উক্ত হৈছে—

"সমমর্ধসমং বৃত্তং বিষমঞ্চেতি তৎ ত্রিধা।
সমং সমচতুষ্পাদং ভৱত্যর্ধসমং পুনঃ।।
আদিস্তৃতীয়ৱদ্ যস্য পাদস্তুর্যো দ্বিতীয়বৎ।
ভিন্নচিহ্নচতু ষ্পাদং বিষমং পৰিকীর্ত্তিতম্।। অর্থাৎ
সমম্ অর্ধসমম্ বৃত্তম্ বিষমম্ চ ইতি তৎ ত্রিধা।
সমম্ সমচতুঃপাদম্ ভৱতি অর্ধসমম্ পুনঃ।
আদিঃ তৃতীয়ৱৎ যস্য পাদঃ তুর্য্যঃ দ্বিতীয়ৱৎ।
ভিন্নচিহ্নচতুঃপাদম্ বিষমম্ পৰিকীর্ত্তিতম্।।

অর্থাৎ সম, অর্ধসম আৰু বিষম এই তিনি প্রকাৰ বৃত্ত। চাৰিওটি পাদ (চৰণ) সমান হলে (বর্ণৰ সংখ্যাত) সমবৃত্ত হয়। অর্ধসম বৃত্তত আদি চৰণ (প্রথম) তৃতীয় চৰণৰ দৰে আৰু তুর্য অর্থাৎ চতুর্থ পাদ দ্বিতীয় চৰণৰ দৰে হয়। যাৰ প্রত্যেকটি পাদ ভিন্ন ভিন্ন বর্ণযুক্ত হয় তাক বিষম বৃত্ত বোলা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ আদি লঘু, আদি গুৰু আৰু মধ্য লঘু বর্ণ থাকিলে যি গণ হয় সেইবোৰ লিখক।

.....

প্রশ্ন নং ৭ ঃ 'তিনিওটি বর্ণ গুৰু হ'লে তাক ম গণ বোলা হয়।' —বাক্যটি শুদ্ধ নে অশুদ্ধ?

.....

প্রশ্ন নং ৮ ঃ ছন্দ কেইপ্রকাৰৰ লিখক।

.....

প্রশ্ন নং ৯ ঃ সমবৃত্ত ছন্দৰ লক্ষণ কি লিখক।

.....



১০.৬ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- ছন্দৰ বাবে অতি প্রয়োজনীয় কিছুমান বিশেষ কথা শিকিলে।
- ছন্দশাস্ত্রৰ কিছুমান গ্রন্থৰ নাম জানিলে।
- ছন্দশাস্ত্রৰ বাহিৰেও আন গ্রন্থতো যে ছন্দৰ আলোচনা আছে সেইটো জানিলে।
- ছন্দৰ প্রাচীনতাৰ কথা জানিলে।
- ছয়খন বেদাঙ্গৰ চমু আভাস পালে।
- ছন্দোমঞ্জৰীৰ চমু পৰিচয় লাভ কৰিলে
- ছন্দ শব্দটিৰ ব্যুৎপত্তি শিকিলে।
- ছন্দৰ বাবে লাগতিয়াল দহটি সাংকেতিক বর্ণৰ কথা শিকিলে।
- গুৰুবর্ণ আৰু লঘুবর্ণৰ কথাও জানিলে।
- বিশেষ কাৰণত লঘু বর্ণটিও গুৰু হোৱাৰ কথা শিকিলে।
- গণৰ গঠন আৰু আঠটি গণৰ কথাও শিকিলে।
- কেৱল গুৰু বর্ণৰ কাৰণে 'গ' আৰু কেৱল লঘু বর্ণৰ কাৰণে 'ল' হোৱাৰ কথাটিও জানিব পাৰিলে।
- গুৰু বর্ণক বুজাবলৈ '---' চিন আৰু লঘু বর্ণক বুজাবলৈ ⌣ চিনৰ ব্যৱহাৰ হোৱাৰ কথাও শিকিলে।
- বৃত্ত আৰু জাতিৰ কথা জানিলে।

- তিনি প্ৰকাৰ বৃত্তৰ কথাও শিকিলে।
- ছন্দত ৰচিত পদ্যৰ চৰণত ব্যৱহাৰ হোৱা যতিৰ কথাও জানিব পাৰিলে।




১০.৭ অধিক জানিবলৈ

১) কালিদাস; (১৯৮২); *শ্ৰুতবোধঃ*; *সংস্কৃত সাহিত্য সম্ভাৰ ১২ ভাগ*; কলিকতা ঃ নৱপত্ৰ প্ৰকাশন।

২) বসু, যোগীৰাজ; (১৯৭২); *বেদৰ পৰিচয়*; গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

৩) শাস্ত্ৰী, আচাৰ্য্য পণ্ডিত সত্য নাৰায়ণ; (সম্পা.) *ছন্দোমঞ্জৰী* (গঙ্গাদাস ৰচিত); বাৰাণসী ঃ খণ্ডুড়ী-চৌখম্বা কৃষ্ণদাস অকাদেমী।

৪) শৰ্ম্মা, শ্ৰী চিন্তাহৰণ; (১৯২৭) (সম্পা.) *ঋগবেদপ্ৰাতিশাখ্যম্* (অধ্যায় ১৬, ১৭, ১৮); কলিকতা ঃ সংস্কৃত সাহিত্য পৰিষদ।



১০.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

২নং প্ৰশ্নৰ উত্তৰ ঃ ছন্দোমঞ্জৰী কিতাপখনত ছয়টি স্তৱক আছে।

৩নং প্ৰশ্নৰ উত্তৰ ঃ ছন্দক বেদৰ ভৰি বুলি কোৱা হৈছে।

৪নং প্ৰশ্নৰ উত্তৰ ঃ ছন্দত গুৰু বুজাবলৈ 'গ' আৰু লঘু বুজাবলৈ 'ল' ব্যৱহাৰ কৰা হয়।

৫নং প্ৰশ্নৰ উত্তৰ ঃ য, ৰ, ত; ভ, জ, স; ম; ন; গ আৰু ল বৰ্ণ।

৬নং প্ৰশ্নৰ উত্তৰ ঃ আদি লঘু = য গণ, আদি গুৰু = ভ গণ আৰু মধ্যলঘু = ৰ গণ।

৭নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

৮নং প্ৰশ্নৰ উত্তৰ ঃ ছন্দ দুই প্ৰকাৰৰ— বৃত্ত আৰু জাতি।

৯নং প্ৰশ্নৰ উত্তৰ ঃ সমবৃত্ত ছন্দৰ চাৰিটি চৰণৰ প্ৰত্যেকটিত সমান সংখ্যাৰ বৰ্ণ থাকে।



১০.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ তলত দিয়া গণবোৰৰ গুৰু আৰু লঘু বৰ্ণৰ স্থান নিৰ্ণয় কৰি লিখক—
ৰ গণ, স গণ, ন গণ আৰু ভ গণ।

খ) চুটি প্ৰশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ গণ কাক বোলে? গণ কেনেদৰে গঠন হয় লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ যতি কাক বোলে লিখক। পদ্যত যতিৰ ব্যৱহাৰৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ বৃত্ত আৰু জাতি ছন্দৰ মাজত পাৰ্থক্য কি চমুকৈ লিখক।

*** ***** ***